**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-12-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। বিভিন্ন বিষয় লৈ শাসকীয় আৰু বিৰোধী পক্ষৰ মাজত আজি সংসদৰ উভয় সদনত তুমুল বাক-বিতণ্ডাৰ সৃষ্টি হয়।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটা প্ৰদান কৰিব।

৩। ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে আজি প্ৰাক্তন ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীৰ জন্মবাৰ্ষিকী উপলক্ষে নেতাগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

৪। আই আই টি গুৱাহাটীসহ দেশৰ মুঠ ৫১ টা কেন্দ্ৰত আজি স্মাৰ্ট ইণ্ডিয়া হেকাথন উদ্বোধন কৰা হয়।

আৰু

৫। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মহিলা ক্ৰিকেট দলৰ মাজত পাৰ্থত তিনিখনীয়া এদিনীয়া শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল অনুষ্ঠিত হৈছে।

০০০০০০০

বিভিন্ন বিষয় লৈ শাসকীয় আৰু বিৰোধী পক্ষৰ মাজত আজি সংসদৰ উভয় সদনত তুমুল বাক-বিতণ্ডাৰ সৃষ্টি হয়। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্যসভাৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে আৰু লোকসভাৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

কাম-কাজ প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত উচ্চ সদনৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই আমেৰিকা যুক্তৰাষ্ট্ৰৰ জৰ্জ ছ'ৰ'ছ সংস্থাৰ সৈতে কংগ্ৰেছৰ একাংশ নেতাৰ সম্পৰ্ক থকা বুলি উঠা অভিযোগ সম্পৰ্কে সদনত আলোচনা হ'ব লাগে বুলি দাবী জনায়। তেওঁ কয়, যে এই সম্পৰ্কই দেশৰ সাৰ্বভৌমত্ব আৰু সুৰক্ষালৈ গুৰুতৰ ভাবুকি কঢ়িয়াই আনিছে। তেওঁ লগতে ৰাজ্য সভাৰ সভাপতি জগদীপ ধনখড়ৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ আনি কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী পক্ষই জনসাধাৰণৰ মনোযোগ এই দিশৰ পৰা অন্য দিশে ঢাল খোৱাৰ চেষ্টা চলাইছে বুলি অভিযোগ তোলে। বিৰোধী পক্ষৰ এই প্ৰচেষ্টাক সকলোৱে গৰিহণা দিয়া উচিত বুলি তেওঁ মন্তব্য কৰে। শ্ৰী নাড্ডাই কয়, যে কংগ্ৰেছে সাংবিধানিক পদত অধিষ্ঠিতসকলৰ প্ৰতি কেতিয়াও সন্মান প্ৰদৰ্শন কৰা নাই। উচ্চ সদনৰ উপ-সভাপতি হৰিবংশে প্ৰতিবাদৰত সদস্যসকলক নিজ নিজ আসন গ্ৰহণ কৰিবলৈ আৰু সদনৰ কাম-কাজ চলাই নিয়াত সহায় কৰিবলৈ আহ্বান জনায় যদিও তেওঁৰ চেষ্টা অথলে যায়। পাছত উপ-সভাপতিগৰাকীয়ে সদনৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰখাৰ কথা ঘোষণা কৰে। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত উচ্চ সদন মিলিত হোৱাৰ সময়ত সভাপতি জগদীপ ধনখড়ে বিভিন্ন বিষয় লৈ বিৰোধী পক্ষৰ সাংসদসকলে দাখিল কৰা সভাস্থগিতকৰণৰ জাননী প্ৰত্যাখ্যান কৰে। ইয়াৰ পাছতে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে ৰাজ্যসভাৰ সভাপতিৰ বিৰুদ্ধে দাখিল কৰা অনাস্থা প্ৰস্তাৱৰ জাননীৰ বাবে

বিৰোধী পক্ষক তীব্ৰ গৰিহণা দিয়ে। তেওঁ কয়, যে কংগ্ৰেছে ইয়াৰ বাবে ক্ষমা খোজা উচিত আৰু চৰকাৰে সভাপতিৰ ভাৱমূৰ্তি ম্লান কৰিব খোজা  সকলো চেষ্টা ব্যৰ্থ কৰিব। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ৰ অৱদানৰ প্ৰশংসা কৰি শ্ৰী ৰিজিজুৱে কয়, যে শ্ৰী ধনখড়ে সদায় ভাৰতীয় সংবিধানৰ প্ৰমূল্য আৰু আদৰ্শৰাজি অক্ষুণ্ণ ৰাখি আহিছে আৰু তেওঁৰ পদবীৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা উচিত। শ্ৰী ৰিজিজুৱে লগতে একাংশ কংগ্ৰেছ নেতা আমেৰিকা যুক্তৰাষ্ট্ৰৰ জৰ্জ ছ'ৰ'ছ সংস্থাৰ সৈতে যোগসূত্ৰ থকা বুলি উঠা অভিযোগৰ বিষয়টো উত্থাপন কৰে। দলটোৱে দেশৰ স্বাৰ্থৰ বিৰুদ্ধে কাম কৰা বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দাবী কৰে। তেওঁ কয়, যে কংগ্ৰেছে এই সন্দৰ্ভত নিজকে নিৰ্দোষী বুলি প্ৰমাণ কৰা উচিত। প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা জে ডি এছৰ সাংসদ এইচ ডি দেৱেগৌড়াইও সদনত বিৰোধী পক্ষৰ আচৰণক সমালোচনা কৰে। শ্ৰী ৰিজিজুৰ অভিযোগ প্ৰত্যাখ্যান কৰি কংগ্ৰেছ সাংসদ প্ৰমোদ তিৱাৰীয়ে কয় যে তেওঁলোকে সংবিধানক বিশ্বাস কৰে। এন ডি এ চৰকাৰে সংবিধান পৰিৱৰ্তন কৰাৰ চেষ্টা চলোৱা বুলি তেওঁ অভিযোগ তোলে। এনে হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে সভাপতিয়ে সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ৰাখে।

লোকসভাত পুৱাৰ ভাগত প্ৰশ্নকালৰ কাম-কাজ নিয়াৰিকৈ সম্পন্ন হয়। ইয়াৰ পাছতে শূন্যকালত কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে মণিপুৰৰ আইন-শৃংখলা পৰিস্থিতিৰ বিষয় উত্থাপন কৰে।  ইয়াৰ প্ৰত্যুত্তৰত কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলে ৰাজ্যখনৰ অভ্যন্তৰীণ অশান্তিৰ বাবে কংগ্ৰেছ জগৰীয়া বুলি অভিযোগ তোলে। তেওঁ কয়, যে কংগ্ৰেছৰ বিদেশী শক্তিৰ সৈতে যোগসূত্ৰ আছে। চৰকাৰে অগ্ৰাধিকাৰৰ ভিত্তিত মণিপুৰৰ বিষয়টো সমাধানৰ বাবে চেষ্টা চলাই থকা বুলিও তেওঁ উল্লেখ কৰে। ইয়াৰ পাছতে শ্ৰী গোৱেলে একাংশ কংগ্ৰেছ নেতাৰ আমেৰিকাৰ জৰ্জ ছ'ৰ'ছ সংস্থাৰ সৈতে সম্পৰ্ক থকা বুলি অভিযোগ তুলি তেওঁলোকৰ অভিপ্ৰায়ক লৈ প্ৰশ্ন উত্থাপন কৰে। সদন পৰিচালনাৰ দায়িত্বত থকা সভাপতিগৰাকীয়ে পৰিস্থিতি শান্ত কৰাৰ চেষ্টা চলায় যদিও তেওঁৰ প্ৰচেষ্টা অথলে যায়। পাছত সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

oooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত চলিত বৰ্ষৰ ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটা প্ৰদান কৰিব। তৃণমূল পৰ্যায়ত প্ৰশাসন আৰু উন্নয়নত দেখুওৱা পাৰদৰ্শিতাৰ বাবে এইবাৰ বিভিন্ন শিতানত মুঠ ৪৫ খন পঞ্চায়তক বাছনি কৰা হৈছে। মাজুলীৰ উজনি মাজুলী উন্নয়ন খণ্ডৰ অন্তৰ্গত জেংৰাই গাঁও পঞ্চায়তলৈ আজি ৰাষ্ট্ৰপতিয়ে এই বঁটা প্ৰদান কৰিব। উল্লেখযোগ্য যে 'শিশুৰ বাবে অনুকুল পঞ্চায়ত' শীৰ্ষক বিষয়ত পঞ্চায়তখনে দেশৰ ভিতৰতে প্ৰথম স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। এই বঁটা প্ৰদান অনুষ্ঠানত বিভাগীয় কেন্দ্ৰীয় ৰাজীৱ ৰঞ্জন সিঙে বঁটা বিজয়ী পঞ্চায়তসমূহৰ অভিনৱ আৰু প্ৰভাৱশালী পদ্ধতি সম্বলিত এখন পুস্তিকা উন্মোচন কৰিব। মন্ত্ৰালয়ে বিবৃতিযোগে কয়, যে এই বঁটা প্ৰদান অনুষ্ঠানৰ জৰিয়তে অন্যান্য পঞ্চায়তসমূহক উত্তম পদ্ধতি গ্ৰহণ কৰিবলৈ আৰু দেশৰ গ্ৰামাঞ্চলসমূহৰ সামগ্ৰিক উন্নয়নত অৰিহনা যোগাবলৈ অনুপ্ৰাণিত কৰাৰ লক্ষ্য লোৱা হৈছে।

oooooo

সদনত সহমত গঢ়ি উঠিলে কৃত্ৰিম বুদ্ধিমত্তাৰ পৰিচালনাৰ বাবে এখন আইন প্ৰণয়ন কৰিবলৈ চৰকাৰ সাজু বুলি কেন্দ্ৰীয় ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। লোকসভাত আজি এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত শ্ৰী বৈষ্ণৱে কয়, যে অভিব্যক্তি, স্বাধীনতা আৰু নৈতিকতা আধাৰিত কৃত্ৰিম বুদ্ধিমত্তা সম্পৰ্কীয় আইনী পৰিকাঠামোৰ মাজত ভাৰসাম্য ৰক্ষা কৰাৰ আৱশ্যকতা আছে। তেওঁ কয়, যে মোদী চৰকাৰে প্ৰযুক্তিৰ গণতান্ত্ৰিকৰণত বিশ্বাস কৰে আৰু চৰকাৰে দুখীয়া জনসাধাৰণৰ হাততো প্ৰযুক্তি তুলি দিছে। দেশত সৰ্বাত্মক

ভাৰত কৃত্রিম বুদ্ধিমত্তা অভিযান আৰম্ভ কৰা হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। কেন্দ্রীয় মন্ত্রীগৰাকীয়ে কয়, যে এই অভিযানৰ সাতটা স্তম্ভৰ ভিতৰত - কৃত্রিম বুদ্ধিমত্তা অনুকুল সুবিধা, দক্ষতা পৰিকাঠামো, ষ্টাৰ্টআপ প্রতিষ্ঠানলৈ পুঁজি যোগান, উদ্ভাৱন কেন্দ্র স্থাপন, সুনির্দিষ্ট তথ্য মঞ্চ আৰু নতুন এপৰ বিকাশ আছে। শ্রী বৈষ্ণৱে কয়, যে কৃত্রিম বুদ্ধিমত্তা সম্পৰ্কীয় ভৱিষ্যত দক্ষতা মঞ্চত ৮ লাখ ৬০ হাজাৰ লোকে নাম পঞ্জীয়ন কৰিছে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে আজি প্ৰাক্তন ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীৰ জন্মবাৰ্ষিকী উপলক্ষে নেতাগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যমৰো এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীক দক্ষ ৰাজনীতিক সু-প্ৰশাসক আৰু জ্ঞানৰ ভাণ্ডাৰ বুলি উল্লেখ কৰে। তেওঁ লগতে দেশৰ বিকাশত প্ৰয়াত নেতাগৰাকীৰ অৱদান অতি উল্লেখনীয় বুলি প্ৰকাশ কৰে। আন এটা বাৰ্তাত গৃহমন্ত্ৰী অমিত শ্বাহে দেশৰ প্ৰশাসনত প্ৰণৱ মুখাৰ্জীৰ গুৰুত্বপূৰ্ণ ভূমিকা সন্দৰ্ভত আলোকপাত কৰে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তামিল কবি তথা স্বাধীনতা যুঁজাৰু সুব্ৰমনিয়া ভাৰতীৰ জয়ন্তীত তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে কয়, যে সুব্ৰমনিয়া ভাৰতী এগৰাকী দূৰদৰ্শী কবি, লেখক, স্বাধীনতা যুঁজাৰু আৰু সমাজ সংস্কাৰক আছিল, যাৰ শব্দই অগণন লোকৰ মনত দেশপ্ৰেম আৰু আন্দোলনৰ ভাৱনা জগাই তুলিছিল। প্ৰধানমন্ত্ৰীয়ে লগতে সমতা আৰু নাৰী সৱলীকৰণৰ ক্ষেত্ৰত শ্ৰী ভাৰতীৰ প্ৰগতিশীল আদৰ্শও সমানেই অনুপ্ৰেৰণাদায়ী বুলি মন্তব্য কৰে। এই উপলক্ষে আজি প্ৰধানমন্ত্ৰীয়ে তেওঁৰ বাসগৃহত কবিগৰাকীৰ সম্পূৰ্ণ ৰচনাৰ এটা সংকলন মুকলি কৰে। ২৩ টা খণ্ডৰ এই সংকলনখন সম্পাদনা কৰি উলিওৱাৰ বাবে শ্ৰী মোদীয়ে চিনি বিশ্বনাথনৰ প্ৰচেষ্টাৰ শলাগ লয়।

০০০০০০০০০

বাংলাদেশত যোৱা ৫ আগষ্টৰ পৰা ২২ অক্টোবৰৰ ভিতৰত ধৰ্মীয় সংখ্যালঘুৰ বিৰুদ্ধে সংঘটিত হিংসাত্মক ঘটনা সন্দৰ্ভত ৮৮ টা গোচৰ ৰুজু কৰা হৈছে আৰু এই সন্দৰ্ভত ৭০ জন লোকক আটক কৰা হৈছে। দেশখনৰ মুখ্য উপদেষ্টা মহম্মদ ইউনিছৰ প্ৰেছ সচিব ছফিকুল আলমে কালি ঢাকাত এই কথা সদৰি কৰে। ভাৰতৰ বিদেশ সচিব বিক্ৰম মিশ্ৰীৰ ঢাকা ভ্ৰমণৰ ঠিক পাছতেই কালি বাংলাদেশ চৰকাৰে এই তথ্য সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। প্ৰেছ সচিবগৰাকীয়ে কয়, যে চুনামগঞ্জ, নৰসিংদি, চট্টগ্ৰাম আৰু ঢাকাত সংঘটিত সংখ্যালঘু নিৰ্যাতনৰ ঘটনা সন্দৰ্ভত এই লোককেইজনক আটক কৰা হৈছে। ইয়াৰ পৰৱৰ্তী সময়তো নিৰাপত্তা বাহিনীসমূহে এনে ঘটনাৰ বিৰুদ্ধে কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিছে আৰু ২২ অক্টোবৰৰ পাছতো কিছুসংখ্যক অপৰাধীক আটক কৰা হৈছে। তেওঁ কয়, যে হিংসাত্মক কাৰ্যকলাপ আৰু জঘন্য অপৰাধত লিপ্ত থকাসকলক আইনৰ গণ্ডীৰ মাজলৈ অনা হ'বই। এই ব্যৱস্থাত কোনো ৰাজনৈতিক হস্তক্ষেপ নচলে বুলি আলমে দাবী কৰে।

০০০০০০০০০

কাঠমাণ্ডুত থকা ভাৰতীয় দূতাবাসে নেপাল পৰ্যটন ব'ৰ্ডৰ সহযোগত কালি প্ৰথম ভাৰত-নেপাল পৰ্যটন অধিবেশনৰ আয়োজন কৰে। এই অনুষ্ঠানত উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত মহাকুম্ভ ২০২৫ৰ প্ৰচাৰ আৰু ভাৰত আৰু নেপালৰ মাজত পাৰস্পৰিক পৰ্যটন ব্যৱস্থাক লাভান্বিত কৰিবলৈ সংযোগ সাধনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। নেপাল চৰকাৰৰ সাংস্কৃতিক, পৰ্যটন আৰু অসামৰিক বিমান পৰিবহণৰ ৰাজ্য মন্ত্ৰী অৰুণ কুমাৰ চৌধুৰীয়ে

অধিৱেশন উদ্বোধন কৰে। উদ্বোধনী ভাষণত নেপাল পৰ্যটন ব'ৰ্ডৰ মুখ্য কাৰ্যবাহী বিষয়া দীপক ৰাজ যোশীয়ে ভাৰত, নেপাল অভিমুখী বিদেশী পৰ্যটকৰ সৰ্ববৃহৎ উৎস বুলি মন্তব্য কৰে। সাংস্কৃতিক, পৰ্যটন আৰু অসামৰিক বিমান পৰিবহণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী অৰুণ কুমাৰ চৌধুৰীয়ে কয় যে সীমান্তৰ সিপাৰৰ পৰ্যটক বিশেষকৈ স্থলপথেৰে অহা পৰ্যটকসকলৰ সংখ্যা পাৰিসাংখ্যিক ভাৱে ৰেকৰ্ড কৰা নহ'লেও এয়া নেপালৰ পৰ্যটন ক্ষেত্ৰলৈ বৃহৎ অৱদান হিচাবে পৰিগণিত হৈছে। তেওঁ লগতে দুয়োপক্ষই সীমান্তৰ সিপাৰৰ দূৰণিবটীয়া এলেকাসমুহত নাইবা দুৰ্গম অঞ্চলৰ সৈতে যোগাযোগ সাধন কৰাত গুৰুত্ব আৰোপ কৰাটো প্ৰয়োজন বুলি মন্তব্য কৰে। ভাৰতীয় দূতাবাসৰ ডেপুটি চীফ অৱ দ্য মিছন প্ৰসন্ন শ্ৰীবাস্তৱে দুয়ো দেশৰ মাজত পৰ্যটকৰ আহ যাহ বৃদ্ধি কৰাত বিশেষ ভূমিকা লোৱা সাধাৰণ আৰু ডিজিটেল সংযোগৰ বিষয়ে উল্লেখ কৰে ।তেওঁ লগতে দুয়ো দেশৰ পৰ্যটনৰ সম্ভাৱনা বৃদ্ধিৰ বাবে দেশদুখনৰ পৰস্পৰৰ প্ৰতিবেশী ৰাজ্যৰ সৈতে ধৰ্মীয় আৰু সাংস্কৃতিক পৰ্যটনৰ বিকাশতো গুৰুত্ব দিয়ে। উত্তৰ প্ৰদেশৰ পৰ্যটন বিভাগে মহাকুম্ভ ২০২৫ ৰ জৰিয়তে সনাতনী পৰম্পৰাত বিশ্বাসী আৰু এই মেলাৰ প্ৰতি আগ্ৰহী লোকক সামৰি লোৱাৰ প্ৰস্তুতি চলাইছে বুলি কালিৰ পৰ্যটন সন্মিলনত প্ৰকাশ কৰা হয়।সন্মিলনত ভাৰতৰ ১৩ গৰাকী প্ৰতিনিধি আৰু নেপালৰ ৬০ গৰাকী ট্যুৰ অপাৰেটৰে অংশ লয়।

0000000

পাৰ্থত অনুষ্ঠিত মহিলা ক্ৰিকেটৰ তিনিখনীয়া এদিনীয়া শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত আজি অষ্ট্ৰেলিয়াই প্ৰথমে বেট ধৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ৫ উইকেটৰ বিনিময়ত ২৭৫ ৰান কৰি খেলি আছে। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়।

ইতিমধ্যে অষ্ট্ৰেলিয়াই এই শৃংখলাত ২-০ৰ ফলাফলত অগ্ৰগতি লাভ কৰি আছে। দলটোৱে ৫ উইকেটত প্ৰথমখন মেচ আৰু ১২২ ৰাণৰ বৃহৎ ব্যৱধানত দ্বিতীয়খন মেচত জয়লাভ কৰিছিল। প্ৰথম দুয়োখন খেল ব্ৰিছবেনত অনুষ্ঠিত হৈছিল। দুয়োখন মেচত ১৪৭ ৰাণ সংগ্ৰহ কৰি অষ্ট্ৰেলিয়াৰ জৰ্জিয়া ভ'ল শৃংখলাৰ শীৰ্ষ স্থানত আছে। ইয়াৰ বিপৰীতে ছটা উইকেট দখলেৰে মেগান শ্বুট তালিকাৰ শীৰ্ষত আছে।

00000

আই আই টি গুৱাহাটীত অনুষ্ঠিত স্মাৰ্ট ইণ্ডিয়া হেকাথন আজি পুৱা সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদৰ অধ্যক্ষ ডং টি জি সীতাৰামে উদ্বোধন কৰে। হেকাথনত মুঠ ২০ টা দলে অংশগ্ৰহণ কৰিছে।

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি দেশৰ মুঠ ৫১টা কেন্দ্ৰত হেকাথনৰ সপ্তম সংস্কৰণৰ গ্ৰেণ্ড ফিনালে অনুষ্ঠান ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে এই অনুষ্ঠানত যুৱ উদ্ভাৱকসকলৰ সৈতে মত-বিনিময় কৰিব। অনুষ্ঠানত এহেজাৰ তিনিশতকৈও অধিক শিক্ষাৰ্থীৰ দলে অংশগ্ৰহণ কৰিব। স্মাৰ্ট ইণ্ডিয়া হেকাথন হৈছে শিক্ষাৰ্থীসকলে দৈনন্দিন জীৱনত সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ সমাধানৰ বাবে এখন মঞ্চ প্ৰদান কৰা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত উদ্ভাৱনৰ সংস্কৃতি গঢ়ি তুলিবলৈ দেশজুৰি গ্ৰহণ কৰা এটা পদক্ষেপ।

000000000

সমাপ্ত